**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-09-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। কাইলৈ আৰম্ভ হ'বলগীয়া ব্ৰিকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে ভিন ভিন দেশৰ কেইবাগৰাকীও শীৰ্ষ নেতা ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সৈতে নতুন দিল্লীৰ এখন বৈঠকত অংশগ্ৰহণ কৰিব।

৩। ব্ৰিক্ছ্ সন্মিলনৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি ৰাছিয়ান ফেডাৰেচনৰ প্ৰথমগৰাকী উপ-প্ৰধানমন্ত্ৰী ডেনিছ মাণ্টুৰ'ভক সাক্ষাৎ কৰে।

৪। দেশজুৰি আজি ৰাষ্ট্ৰীয় বন শ্বহীদ দিৱস উদযাপন কৰা হৈছে।

আৰু

৫। চীনৰ ম'কিত অনুষ্ঠিত জুনিয়ৰ এছিয়া কাপ হকীৰ ছেমি ফাইনেলত আজি ভাৰত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

কাইলৈ আৰম্ভ হ'বলগীয়া ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ অষ্টাদশ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে বিশ্বৰ বিভিন্ন দেশৰ নেতাসকল নতুন দিল্লীত সমবেত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰি বিশ্বৰ কল্যাণৰ উদ্দেশ্যে এই সন্মিলনত বিভিন্ন বিষয় লৈ ইতিবাচক আৰু অৰ্থবহ আলোচনা হ'ব বুলি আশা প্ৰকাশ কৰে।

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ আৰম্ভ হ'বলগীয়া এই সন্মিলনত ব্ৰাজিল, চীন, ইথিওপিয়া, ইজিপ্ত, ইণ্ডোনেছিয়া, ভাৰত, ৰাছিয়া, ইৰাণ, চৌদি আৰৱ, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ই -সহ ১১খন গুৰুত্বপূৰ্ণ বিকাশশীল অৰ্থব্যৱস্থাৰ দেশে অংশগ্ৰহণ কৰিব। ভাৰতৰ অধ্যক্ষতাত হ'বলগীয়া এই শীৰ্ষ সন্মিলনৰ মূল বিষয়বস্তু হৈছে - স্থিতিস্থাপকতা, উদ্ভাৱন সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিং, দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামফোছা, ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দুল ফটাহ অল ছিছি, ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাবোৱো ছুবিয়াণ্টো, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন, আবুধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহয়ান আৰু ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী আবি মহম্মদ আলী সন্মিলনত উপস্থিত থাকিব। ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মাউৰু ভিয়েইৰা আৰু চৌদি আৰৱৰ বিদেশ মন্ত্ৰী প্ৰিন্স ফেইজাল বিন ফৰহান অল চৌদে দেশ দুখনক সন্মিলনত প্ৰতিনিধিত্ব কৰিব। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিম আৰু ভিয়েটনামৰ প্ৰধানমন্ত্ৰী লে মিন্হ্ হংগেও সন্মিলনত অংশ ল'ব। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্ট'নিঅ' গুটেৰেছ, বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান ড০ টেড্ৰোছ্ অঘানম ঘেব্ৰেয়ছছ আৰু নিউ ডেভেলপমেণ্ট বেংকৰ অধ্যক্ষ দিলমা ৰুছেফ সহ কেইবাটাও আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ মুৰব্বীয়েও সন্মিলনত ভাগ লোৱাৰ কথা।

সৰ্বাত্মক গোলকীয় প্ৰশাসন আৰু বহুত্ববাদৰ সুদৃঢ়কৰণ বিষয়ক ব্ৰিকছ সদস্য-ৰাষ্ট্ৰৰ ৰুদ্ধদ্বাৰ বৈঠকেৰে কাইলৈ এই সন্মিলন আৰম্ভ হ'ব। ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলে ভাৰত মণ্ডপমত আয়োজিত ভাৰত ইন'ভেটছ্ প্ৰদৰ্শনীও পৰিদৰ্শন কৰিব। ইয়াৰ পাছত তেওঁলোকে যৌথ গছপুলি ৰোপণ কাৰ্যসূচীত ভাগ ল'ব। তেওঁলোকে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়োজন কৰা নৈশ ভোজমেলত অংশ ল'ব। প্ৰধানমন্ত্ৰী মোদী এই সন্মিলনত ভাগ লোৱাৰ সুযোগতে ব্ৰিকছ্ সদস্যৰাষ্ট্ৰৰ নেতাসকলৰ সৈতে এলানি দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। শ্ৰীমোদীয়ে দেওবাৰে ব্ৰিকছ্ সহযোগী ৰাষ্ট্ৰৰ নেতা আৰু আমন্ত্ৰিত প্ৰতিনিধিবৰ্গক আদৰণি জনাব।

ooooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ আৰম্ভ হ'বলগীয়া অষ্টাদশ ব্ৰিকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামাফোছা আৰু উগাণ্ডাৰ উপ-ৰাষ্ট্ৰপতি জেছিকা আলুপো আজি নতুন দিল্লীত উপস্থিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰী জয়ন্ত সিঙে তেওঁলোকক বিমান বন্দৰত আদৰণি জনায়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতৰ সৈতে দক্ষিণ আফ্ৰিকা আৰু উগাণ্ডাৰ পূৰ্বৰ পৰা বৰ্তি অহা সৌহাৰ্দ্যমূলক সম্পৰ্কৰ বিষয়ে উল্লেখ কৰিছে। আনহাতে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন, নাইজেৰিয়াৰ বিদেশ মন্ত্ৰী বিয়াংকা ওদুমেগ্ব্যু-অজুকু আৰু উৰুগুৱেৰ বিদেশ মন্ত্ৰী মাৰিঅ' লুবেৎকিনকে ধৰি ভিন ভিন দেশৰ আন কেইবাগৰাকীও শীৰ্ষ স্থানীয় নেতা ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে।

উল্লেখযোগ্য যে দুদিনীয়াকৈ আয়োজিত এই সন্মিলনত ব্ৰাজিল, চীন, ইথিওপিয়া, ইজিপ্ত, ইণ্ডোনেছিয়া, ভাৰত, ৰাছিয়া, ইৰাণ, চৌদি আৰৱ, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইকে ধৰি ১১খন গুৰুত্বপূৰ্ণ বিকাশশীল অৰ্থব্যৱস্থাৰ দেশে অংশগ্ৰহণ কৰিব। ভাৰতৰ অধ্যক্ষতাত হ'বলগীয়া এই শীৰ্ষ সন্মিলনৰ মূল বিষয়বস্তু হৈছে - স্থিতিস্থাপকতা, উদ্ভাৱন সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিং, দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামফোছা, ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দুল ফটাহ অল ছিছি, ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাবোৱো ছুবিয়াণ্টো, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন, আবুধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহয়ান আৰু ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী আবি মহম্মদ আলী সন্মিলনত উপস্থিত থাকিব। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্ট'নিঅ' গুটেৰেছ, বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান ড° টেড্ৰোছ অঘানম ঘেব্ৰেয়ছছ আৰু নিউ ডেভেলপমেণ্ট বেংকৰ অধ্যক্ষ দিলমা ৰুছেফ সহ কেইবাটাও আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ মুৰববীয়েও সন্মিলনত ভাগ লোৱাৰ কথা।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সৈতে নতুন দিল্লীৰ এখন বৈঠকত অংশগ্ৰহণ কৰিব। নেতা দুগৰাকীয়ে এই বৈঠকত ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ সংঘৰ্ষ, পশ্চিম এছিয়াৰ পৰিস্থিতি, বাণিজ্যিক সম্পৰ্ক আৰু শক্তিখণ্ডৰ সহযোগিতাকে ধৰি ভালেমান বিষয়ক লৈ আলোচনা কৰিব বুলি প্ৰকাশ পাইছে। নতুন দিল্লীত হ'বলগীয়া ব্ৰিক্ছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে উপস্থিত হোৱা ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ানৰ সৈতেও প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া এখন বৈঠকত ভাগ ল'ব। একেদৰে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছৰ সৈতেও শ্ৰী মোদীয়ে নতুন দিল্লীত সুকীয়া বৈঠকত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয়, যে সন্ত্ৰাসবাদৰ ভাবুকি অব্যাহত আছে যদিও ভাৰতৰ সংকল্প আৰু সন্ত্ৰাসবাদৰ সকলো ৰূপ আৰু প্ৰকাশৰ বিৰোধিতা অব্যাহত আছে। আমেৰিকাত সংঘটিত ৯/১১ সন্ত্ৰাসবাদী আক্ৰমণৰ ২৫ বছৰ পূৰ হোৱা উপলক্ষে শ্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে সমগ্ৰ বিশ্বতে সন্ত্ৰাসবাদে অগণন লোকৰ প্ৰাণ কাঢ়ি লৈছিল। তেওঁ কয়, যে সীমা অতিক্ৰম কৰি চলোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ কবলত পৰা ভাৰতে কেইবাদশক ধৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে আক্ৰমণ চলাই আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে আক্ৰমণৰ বলি হোৱা লোকসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। শ্ৰী মোদীয়ে কয়, যে ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে মাৰবান্ধি যুঁজ দিবলৈ সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে। তেওঁ লগতে ২০১৪ চনৰ আমেৰিকাৰ নিউয়ৰ্ক চহৰৰ ৯/১১ স্মৃতিসৌধ আৰু সংগ্ৰহালয়ো ভ্ৰমণ কৰে বুলি প্ৰকাশ কৰে।

0000000

ব্ৰিক্ছ্ সন্মিলনৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত ৰাছিয়ান ফেডাৰেচনৰ প্ৰথমগৰাকী উপ-প্ৰধানমন্ত্ৰী ডেনিছ মাণ্টুৰ'ভক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী সীতাৰমনে কয়, যে দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিষয়ত আলোচনা কৰাৰ লগতে বাণিজ্য আৰু বিনিয়োগৰ সম্পৰ্ক শক্তিশালী কৰা সন্দৰ্ভত মত বিনিময় কৰে।

ইপিনে, এই সন্মিলনৰ পূৰ্বে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে আজি নতুন দিল্লীত ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মউৰো ভিয়েৰাক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে কয়, যে তেওঁলোকে বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, শক্তি, কৃষি আৰু মহাকাশ খণ্ডত সহযোগিতা বৃদ্ধিকে ধৰি বিভিন্ন দ্বিপাক্ষিক বিষয়ত আলোচনা কৰে। বৈঠকত ৰাষ্ট্ৰসংঘ, জি-টুৱেণ্টী

আৰু আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সংস্থাৰ জৰিয়তে সহযোগিতাকে ধৰি বহুপাক্ষিক সহযোগিতা সন্দৰ্ভতো আলোচনা কৰা হয় বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। দুয়োগৰাকী নেতাই সাম্প্ৰতিক ভূ-ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভতো মত বিনিময় কৰে।

০০০০০০০

দেশজুৰি আজি ৰাষ্ট্ৰীয় বন শ্বহীদ দিৱস উদযাপন কৰা হৈছে। এই দিনটোত দেশৰ বনাঞ্চল, বন্যপ্ৰাণী আৰু জৈৱ বৈচিত্ৰৰ সুৰক্ষাৰ বাবে প্ৰাণ ত্যাগ কৰা সাহসী বন সুৰক্ষা কৰ্মী, বন বিষয়া তথা সমুদায়ৰ সদস্যসকলৰ প্ৰতি সন্মান জনোৱা হয়। কেন্দ্ৰীয় পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে এই দিৱস উপলক্ষে বহনক্ষম ভৱিষ্যতৰ হকে সৰ্বোচ্চ ত্যাগ কৰা বন বিষয়াসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী যাদৱে কয়, যে ভাৰতৰ বিশাল জৈৱ বৈচিত্ৰক বন বিভাগৰ সমৰ্পিত বাহিনীয়ে নিৰাপত্তা প্ৰদান কৰে। দেশৰ প্ৰাকৃতিক সম্পদৰ সুৰক্ষাৰ্থে বনজুই, বন্যপ্ৰাণী সৰবৰাহকাৰী আৰু চোৰাং চিকাৰীৰ বিৰুদ্ধে সাহসেৰে যুঁজ দিয়া বিষয়াসকলক সুঁৱৰি শ্ৰী যাদৱে কয়, যে গছ-গছনি, বন্যপ্ৰাণী আৰু নদী কেৱল প্ৰাকৃতিক সম্পদেই নহয়, বৰঞ্চ এই সম্পদসমূহে মানৱতাৰ বাবে জীৱন সমৰ্থন ব্যৱস্থাও গঢ়ি তোলে।

০০০০০০০

অসমৰ নগাঁও লোকসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে নগাঁও জিলাৰ জিলা আয়ুক্ত পদৰ পৰা শেহতীয়াকৈ স্বেচ্ছাই অৱসৰ গ্ৰহণ কৰা দেৱাশিস শৰ্মাৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। দলটোৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে তেওঁৰ প্ৰাৰ্থিত্বত অনুমোদন জনায়।

উল্লেখযোগ্য নগাঁও লোকসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে যোৱা সপ্তাহত অধিসূচনা জাৰি কৰা হয়। অহা ৬ অক্টোবৰত ভোটগ্ৰহণ হ'বলগীয়া এই নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্তেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত এই নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। নগাঁও সমষ্টিৰ লগতে দেশৰ পাঁচটা বিধানসভা সমষ্টিতো নিৰ্বাচন অনুষ্ঠিত হ'ব। এই সমষ্টিকেইটা হ'ল তামিলনাডুৰ মাদুৰন্তকম আৰু ধাৰাপুৰম, পশ্চিম বংগৰ ৰেজিনগৰ আৰু নন্দীগ্ৰাম আৰু পুডুচেৰীৰ থাট্টানচাৱড়ি।

০০০০০০০

চীনৰ ম'কিত অনুষ্ঠিত জুনিয়ৰ এছিয়া কাপ হকীৰ ছেমি ফাইনেলত আজি ভাৰত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ২ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত ৫ বাৰৰ চেম্পিয়ন ভাৰতে পুল এৰ অন্তিমখন খেলত চীনা টাইপেক ১৫-০ গ'লত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। খেলখনত অধিনায়ক অনমোল এক্কাই ছটা গ'ল দিয়ে। ইপিনে, মালয়েছিয়াই পুল বিৰ এখন খেলত চীনক ১-০ গ'লত পৰাস্ত কৰি  ছেমি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

ভাৰতে মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে যোৱা নিশা ডুবাইত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশক ৪০ ৰাণত পৰাস্ত কৰে। বাংলাদেশে ১৫০ ৰাণৰ বিজয়লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১০৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়। বাংলাদেশৰ হৈ স্বৰ্ণা অকতাৰে সৰ্বাধিক ২২ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ভাৰতৰ দিপ্তী শৰ্মাই তিনিটা আৰু নন্দিনী শৰ্মাই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে  প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১৪৯ ৰাণ কৰে। ভাৰতৰ হৈ অ'পেনাৰ শ্বেফালী বাৰ্মাই ৪০টা বলত ৬৪ ৰাণ কৰে। শ্বেফালী বাৰ্মাক প্লেয়াৰ অব মেচ হিচাপে ঘোষণা কৰা হয়।

ডুবাইত আজি হ'বলগীয়া প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অনুষ্ঠিত হ'ব। খেলখনৰ বিজয়ী দলটো দেওবাৰে ফাইনেলত ভাৰতৰ সন্মুখীন হ'ব।

০০০০০০০

সমাপ্ত